**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-10-2023
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ চিতোৰগড়ত প্ৰায় ৭ হাজাৰ কোটি টকাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ ছত্তিশগড় আৰু তেলেংগানা ভ্ৰমণলৈ যাব।

৩। কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কৈছে যে অনাগত সময়ত ষ্টাফ ছিলেকচন কমিছন, এছ এছ চি'য়ে ২২টা ভাৰতীয় ভাষাৰ সকলোতে প্ৰতিযোগিতামূলক প্ৰতিযোগিতাৰ পৰীক্ষা অনুষ্ঠিত কৰিব।

৪। আজি জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ জন্ম দিৱস দেশজুৰি বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হৈছে।

৫) চীনৰ হাংঝৌত চলি থকা এছিয়ান গেমছত আজি ভাৰতে ৩টা ব্ৰঞ্জৰ পদক লাভ কৰিছে।

**আৰু**

৬। এছিয়া কাপ ক্ৰিকেটত আজি শ্ৰীলংকাৰ পালেকেলেত হ'বলগীয়া গ্ৰুপ-এ মেচত ভাৰত পাকিস্তানৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি ৩ বজাৰ পৰা আৰম্ভ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ চিতোৰগড়ত প্ৰায় ৭ হাজাৰ কোটি টকাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। শ্ৰীমোদীয়ে প্ৰায় ৪হাজাৰ ৫০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা মেহচানা-ভাতিণ্ডা-গুৰদাসপুৰ গেছ পাইপ লাইন মুকলি কৰে। তেওঁ চিতোৰগড়-নিমোজ ৰে'লপথ আৰু কোটা-চিতোৰগড় ৰে'লপথৰ বৈদ্যুতিকীকৰণকে ধৰি কেইবাটাও ৰে'লৰে প্ৰকল্প উদ্বোধন কৰে। প্ৰধানমন্ত্ৰীয়ে **স্বদেশ দৰ্শন** আঁচনিৰ অধীনত নাথদ্বাৰাত বিকশাই তোলা পৰ্যটন সা-সুবিধাৰো উদ্বোধন কৰে। এই উপলক্ষে আয়োজন কৰা অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে কয় যে পিছপৰা অঞ্চলসমূহৰ উন্নয়নক তেওঁৰ চৰকাৰে প্ৰাথমিক গুৰুত্ব দি আহিছে। তেওঁ কয় যে চৰকাৰে দেশৰ কিছুমান পিছপৰা জিলা বাচনি কৰি তাত উন্নয়নমূলক কাম আৰম্ভ কৰিছে। এই আঁচনিৰ অধীনত ৰাজস্থানৰ বহু কেইখন জিলা অন্তৰ্ভুক্ত হোৱা বুলি শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয় যে চৰকাৰে এই আঁচনিৰ ক্ষেত্ৰত এখোজ আগুৱাবলৈ সমৰ্থ হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে অনুন্নত অঞ্চলত প্ৰাথমিক গুৰুত্ব দিয়াৰ লক্ষ্যৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে সীমান্তৱৰ্তী গাঁওসমূহৰ উন্নয়নৰ বাবে প্ৰাণৱন্ত গাঁও আঁচনি আৰম্ভ কৰিছে। অনুষ্ঠানৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে চিতোৰগড়ৰ সমীপৰ ছানৱাৰিয়া শেঠ মন্দিৰত পূৰ্জা অৰ্চনা কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ ছত্তিশগড় আৰু তেলেংগানা ভ্ৰমণলৈ যাব। শ্ৰীমোদীয়ে ছত্তিশগড়ত ২৬ হাজাৰ কোটিৰো অধিক টকাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ ৰাজ্যখনৰ বাষ্টাৰ জিলাৰ নাগাৰনাৰত নিৰ্মাণ কৰা তীখাৰ কাৰখানাটো উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে

লগতে অন্তগড় আৰু তাৰ'কীৰ মাজত নৱনির্মিত ৰে'ল পথৰ উপৰি জগদলপুৰ আৰু দান্তেৱাড়াৰ মাজত নির্মাণ কৰা দ্বৈত ৰে'ল পথ মুকলি কৰিব।

সন্ধিয়া প্ৰধানমন্ত্ৰী তেলেংগানাৰ নিজামাবাদত উপস্থিত হ'ব। তাত তেওঁ শক্তি, ৰে'লৱে আৰু স্বাস্থ্যৰ দৰে কেইবাটাও গুৰুত্বপূর্ণ খণ্ডত ৰূপায়িত হ'বলগীয়া প্ৰায় ৮ হাজাৰ কোটি টকাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে তেলেংগানাৰ বিভিন্ন স্থানত প্ৰধানমন্ত্ৰী-আয়ুষ্মান ভাৰত, স্বাস্থ্য অভিযানৰ অধীনত নির্মাণ কৰিবলগীয়া ২০টা ক্ৰিটিকেল কেয়াৰ ব্লকৰ আধাৰশিলাও স্থাপন কৰিব।

০০০০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে কৈছে যে অনাগত সময়ত ষ্টাফ ছিলেকচন কমিছন, এছ এছ চি'য়ে ২২টা ভাৰতীয় ভাষাৰ সকলোতে প্ৰতিযোগিতামূলক পৰীক্ষা অনুষ্ঠিত কৰিব। তেওঁ কয় যে প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰাৰ্থীসকলৰ সুবিধাৰ বাবে চৰকাৰে এটা ভাষা নিৰপেক্ষ ব্যৱস্থাৰ পোষকতা কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ভাৰতীয় ভাষা সন্মিলনত ভাষণ দি কালি  ড০ সিঙে কয় যে এইবছৰৰ পৰা এছ এছ চি পৰীক্ষাসমূহ হিন্দী আৰু ইংৰাজীৰ লগতে ১১টা আঞ্চলিক ভাষাত, মুঠ ১৩টা ভাষাত অনুষ্ঠিত হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে যে জে ই ই, নীট আৰু ইউ জি চি পৰীক্ষাসমূহো ১২টা ভাৰতীয় ভাষাত অনুষ্ঠিত হৈছে। এই ঐতিহাসিক সিদ্ধান্তই এনে পৰীক্ষাত স্থানীয় যুৱক-যুৱতীৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ লগতে আঞ্চলিকসমূহকো উৎসাহিত কৰিব বুলি তেওঁ উল্লেখ কৰে। ড০ সিঙে কয় যে বিগত ৯ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতীয় আঞ্চলিক ভাষাসমূহ উল্লেখনীয় প্ৰগতিৰ দিশত ধাৱমান হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষকসকলৰ কল্যাণ হকে থকা চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰিছে। শ্ৰীমোদীয়ে কালি দেশৰ হালধি খেতি কৰা কৃষকসকলৰ লাভালাভৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় হালধি বোৰ্ড গঠনৰ কথা ঘোষণা কৰে। এই বোৰ্ডে খেতিয়কসকলক যোগান শৃংখলৰ বিভিন্ন ক্ষেত্ৰত সহায় কৰিব। নিজামাবাদৰ সাংসদ অৰবিন্দ ধৰ্মপুৰীৰ এটা পোষ্টৰ আঁতধৰি প্ৰধানমন্ত্ৰীয়ে আজি সামাজিক মাধ্যমত দিয়া পোষ্টত কয় যে চৰকাৰে কৃষকসকলৰ কল্যাণ আৰু সমৃদ্ধিক সদায় প্ৰাথমিক গুৰুত্ব দি আহিছে। তেওঁ লগতে কয় যে ৰাষ্ট্ৰীয় হালধি বোৰ্ড গঠনৰ জৰিয়তে হালধি খেতিয়কসকলক তেওঁলোকৰ প্ৰাপ্য সঠিকভাৱে পোৱাৰ ব্যৱস্থা কৰা হ'ব। শ্ৰীমোদীয়ে দেশৰ হালধি খেতিয়কসকলৰ ভৱিষ্যত উজ্জ্বল কৰি তোলাৰ বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে।

০০০০০০০

আকাশবাণীৰ দ্বিভাষিক লাইভ ফোন-ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ৯ বজাত জন্ম আৰু মৃত্যুৰ ডিজিটিয় পঞ্জীয়ন - এই বিষয় সন্দৰ্ভত আলোচনা আগবঢ়োৱা হ'ব। অনুষ্ঠানত দেশৰ মহা পঞ্জীয়ক সঞ্জীৱ কুমাৰ উপস্থিত থাকিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে পঞ্জীয়নৰ পদ্ধতি, প্ৰয়োজনীয় তথ্যপাতি, আবেদন কৰাৰ সময়সীমাৰ লগতে জন্ম আৰু মৃত্যুৰ ডিজিটীয় পঞ্জীয়নৰ লগত জড়িত বিভিন্ন সন্দৰ্ভত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ০১১-২৩৭১-৭১০৬ আৰু ০১১-২৩৩১-৪৪৪৪ এই নম্বৰত ডায়েল কৰি অনুষ্ঠানত ভাগ ল'ব পাৰিব। ৯২৮৯০-৯৪০৪৪ এই ৱাটছএপ নম্বৰতো শ্ৰোতাসকলে নিজৰ প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গোল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহতো এই অনুষ্ঠান

পোনপটীয়াকৈ শুনিব পৰা যাব। আনহাতে আমাৰ ৱেবছাইট newsonair.gov.in আৰু youtube চেনেল newsonair official তো এই অনুষ্ঠান উপলব্ধ হ'ব।

০০০০০০০

আয়ুস্মান ভব অভিযানৰ অধীনত ৫০ হাজাৰৰো অধিক লোকে নিজৰ অংগদান কৰাৰ প্ৰতিশ্ৰুতি দিছে। এই অভিযান যোৱা মাহত গুজৰাটৰ গান্ধী নগৰত আৰম্ভ হৈছিল। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী মনসুখ মান্দভিয়াই সামাজিক মাধ্যমৰ এটা পোষ্টত অংগদানৰ বাবে প্ৰতিজ্ঞা ল'বলৈ জনসাধাৰণক আহ্বান জনায়।

০০০০০০০

আজি দেশজুৰি জাতি পিতা মহামানৰ মহাত্মা গান্ধীৰ জন্ম দিৱস গান্ধী জয়ন্তী বিভিন্ন কাৰ্যসূচীৰে উদ্‌যাপন কৰা হৈছে। বিভিন্ন দেশত থকা ভাৰতীয় কাৰ্যালয়সমূহতো গান্ধী জয়ন্তীৰ কাৰ্যসূচী লোৱা হৈছে। দিল্লীৰ সমাধি ক্ষেত্ৰ ৰাজঘাটত আজি পুৱা সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। আজি পুৱা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজঘাটত মহাত্মা গান্ধীৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

অৰুণাচল প্ৰদেশত আজি বিভিন্ন কাৰ্যসূচীৰে গান্ধী জয়ন্তী উদ্‌যাপন কৰা হৈছে। এই উপলক্ষে অৰুণাচল প্ৰদেশৰ নগৰ উন্নয়ন আৰু গৃহ নিৰ্মাণ মন্ত্ৰী কামলুং মোছাঙে ইটা নগৰৰ গান্ধী উদ্যানৰ পৰা আৱৰ্জনা মুক্ত ভাৰত শীৰ্ষক চাইকেল ৰে'লী অনুষ্ঠিত হয়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান গেমছত ৰ'লাৰ স্কেটিংত ব্ৰঞ্জৰ পদক লাভ কৰা মহিলাৰ দলটোক অভিনন্দন জনাইছে। সামাজিক মাধ্যমত দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে মহিলাৰ স্পীড স্কেটিং ৩হেজাৰ মিটাৰ ৰিলেট ব্ৰঞ্জৰ পদক লাভ কৰা কাৰ্তিকা জগদীশ্বৰণ, হীৰাল সাধু আৰু আৰতি কস্তুৰীৰাজক অভিনন্দন জনায়। তেওঁ কয় যে খেলুৱৈ কেইগৰাকীৰ সাফল্যই বহুলোকক প্ৰেৰণা যোগাব।

০০০০০০০

চীনৰ হাংঝৌত চলি থকা এছিয়ান গেমছত আজি ভাৰতে ৩টা ব্ৰঞ্জৰ পদক লাভ কৰিছে। ভাৰতীয় মহিলা আৰু পুৰুষৰ স্পীড স্কেটিং দলে দুটা ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে টেবুল টেনিছত মহিলাৰ ডাবলছ্ শাখাত ভাৰতীয় দলটোৱে ব্ৰঞ্জৰ পদক লাভ কৰে।

ভাৰতীয় মহিলা স্কেটিং দলৰ সঞ্জনা ভাটুকা, কাৰ্তিকা জগদীশ্বৰণ, হীৰাল সাধু আৰু আৰতি কস্তুৰীৰাজে ৩হাজাৰ মিটাৰ স্পীড স্কেটিং ৰিলেট তৃতীয় স্থান দখল কৰে। ভাৰতৰ আৰ্য়ন পল, আনন্দ কুমাৰ, সিদ্ধান্ত, বিক্ৰমক লৈ গঠিত পুৰুষৰ স্পীড স্কেটিং দলটোৱেও তৃতীয় স্থান দখল কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। টেবুল টেনিছত আইহিকা মুখাৰ্জী আৰু সুতীৰ্থা মুখাৰ্জীয়ে মহিলাৰ ডাবলছত ব্ৰঞ্জৰ পদক লাভ কৰে। চেমিফাইনেলত তেওঁলোক উত্তৰ কোৰিয়াৰ ছুয়ং সাহ আৰু ছুগয়ং পকৰ বিৰুদ্ধে খেলি পৰাজিত হয়। ভাৰতৰ কাবাডী অভিযানো আজি আৰম্ভ হ'ব। এছিয়ান গেমছৰ দুবাৰৰ চেম্পিয়ন ভাৰতৰ মহিলা কাবাডী দলটোৱে আজি ছাইনিজ টাইপেইৰ দলটোৰ বিৰুদ্ধে খেলিব। আনহাতে, এছিয়ান গেমছৰ সাতবাৰৰ স্বৰ্ণপদক বিজয়ী ভাৰতৰ পুৰুষৰ পুৰুষৰ কাবাডী দলটো কাইলৈ বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

বেডমিণ্টনত ভাৰতৰ সাই প্ৰতীক আৰু তানিছা ক্ৰাষ্টৰে মিক্সড ডাবলছত মাকাও চীনৰ লিয়ং ল'ক চং আৰু এন ৰেং চি বিৰুদ্ধে খেলি বিজয়ী হৈছে।

০০০০০০০০

এছিয়া কাপ ক্ৰিকেটত আজি শ্ৰীলংকাৰ পালেকেলেত হ'বলগীয়া গ্ৰুপ-এ মেচত ভাৰত পাকিস্তানৰ মুখামুখি হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি ৩ বজাৰ পৰা আৰম্ভ হ'ব। নেপালৰ লগতে ভাৰত আৰু পাকিস্তানক গ্ৰুপ-এত স্থান দিয়া হৈছে। আনহাতে, শ্ৰীলংকা, বাংলাদেশ আৰু আফগানিস্তানক গ্ৰুপ-বিত স্থান দিয়া হৈছে। ইপিনে শ্ৰীলংকাৰ বতৰ বিজ্ঞান বিভাগে কেণ্ডিকে ধৰি দ্বীপটোৰ এক বৃহৎ অংশত বৰষুণৰ সম্ভাৱনা আছে বুলি ৰেড এলাৰ্ট জাৰি কৰিছে।

০০০০০০০

**সমাপ্ত**